ধাৰাবাহিক উপন্যাস

দুঃস্বপ্ন (খণ্ড ৩)

- বহ্নিমান কাশ্যপ

ধেমাজী জিলাৰ সেউজীয়া প্ৰকৃতিক বিদায় জনাই নিয়ৰৰ গাড়ীখন গুৱাহাটী অভিমুখে আগুৱাই গৈ থাকিল। তাই আজি সুস্থিৰ। বাস্তৱবাদী। সময় আৰু প্ৰকৃতিৰ স'তে সহাৱস্থান তাইৰ লক্ষ্য আৰু উদ্দেশ্য। Tata ৰ Tiago গাড়ীখনৰ চকাই নিয়ৰৰ আদেশ পালন কৰি সময়ে সময়ে এশ বা এশ দহ গতিবেগেৰে আগবাঢ়িল।

ভায়েক ৰূপমে ৰাতিপুৱালৈকে তাইক কৈ আছিল, "ময়ো তোৰ লগত যাওঁ দে। ইমান দীঘলীয়া যাত্ৰা, অকলে তোৰ আমনি লাগিব। মই গুৱাহাটীতে তোক এৰিম, মোৰ কাম দুটা আছে, কৰি গুচি আহিম।"

"হ'ব দে, মোৰ কাৰণে তহঁতে কিমান আৰু ত্যাগ কৰিবি ? তই ঘৰখনত নহ'লে কণমানিজনী আৰু ৰুমীৰ কিমান কষ্ট হয়, মই জানো নাজানো! ভাই, প্লিজ্।" তাই ৰূপমক হাজাৰবাৰ বাধা দিলে।

ৰূপমৰ তাইৰ প্ৰতি থকা সদয় নিয়ৰে ভালকৈ বুজে। একে মাক আৰু বাপেকৰ সন্তান নহ'লেও সিহঁতৰ মাজত আছে বিশ্বাস, মৰম আৰু আন্তৰিকতা। ৰুমীয়েও প্ৰতি মুহূৰ্ততে ৰূপমক আৰু তাৰ সিদ্ধান্তক সন্মান জনাই আহিছে। বহুতো টকা-পইচা নাথাকিলেও সিহঁতৰ সংসাৰৰ শান্তিৰ হয়তো সেয়াই মূলমন্ত্ৰ। নিয়ৰৰ বৰ ভাল লাগে সিহঁতৰ মাজৰ মিলাপ্ৰীতি দেখি।

"মোৰ ওপৰত বিশ্বাস ৰাখাঁ, ৰুমী। ইয়াক ক'বাঁ, এদিন ছুটি লৈ গুৱাহাটীলৈ আহি হ'লেও মই তাৰ কামটো কৰি পঠাম।" বিদায়বেলাত ৰুমীক সাৱটি ধৰি নিয়ৰে ক'লে।

সিহঁত দুয়োটাই ভালকৈ জানে, ৰূপমৰ কাম বায়েকে পেলাই নথয়। ৰুমীৰ চকুৰ কোণকেইটা পানীৰে ওফন্দি উঠিল। বুকুত হাজাৰ দাবানল লৈও থিয়হৈ থাকিল নিয়ৰ। প্ৰকাশ নকৰিলে বুকুৰ ভিতৰৰ হাহাকাৰ। কিছুমান মূহূৰ্তত অনুভৱক প্ৰশ্ৰয় দিব পৰা নাযায়। মাক-দেউতাকৰ অবিহনে এই পৃথিৱীত এতিয়া তাই যিখন যুদ্ধক্ষেত্ৰত অৱতীৰ্ণ হ'ব লাগিব, সেই যুদ্ধত পদেপদে মনোবল দিবলৈ আৰু কোনো নাই। তাই নিজেই নিজৰ সাহস হ'ব লাগিব। ৰূপম, ৰুমী আৰু কণমানি পাহিৰ সংসাৰখনৰো দায়িত্ব তাইৰ ওপৰত সদায় থাকিব। গতিকে তাই দুৰ্বল হ'লে নচলিব।

যিমানেই বাস্তৱমুখী নহ'লেও, ক'ৰবাত কোনোবাখিনিত তাই যেন আতুৰ হৈ পৰে। প্ৰচণ্ড দুখৰ চাকনৈয়াত উটি ভাঁহি যায় তাইৰ টুলুংভুটুং জীৱনৰ নাওখন। কোনো কথা আৰু কামৰেই যেন অৰ্থ নাই। এনে ভাৱনাই নিৰাশাবাদী কৰি তোলে তাইক আৰু তাইৰ সময়ক।

'এথেনিক বিষ্ট্ৰ' !

বিশ্বনাথ চাৰিআলিৰ ৰেষ্টুৰেণ্ট এখনত নিয়ৰে গাড়ী ৰখালে। জনজাতীয় খাদ্যৰ পয়োভৰ থকা এই ৰেষ্টুৰেণ্টখন তাইৰ পুৰণা চিনাকি।

জিনছ্ আৰু জেকেট পৰিহিত ওখ মহিলাগৰাকীৰ আপ্যায়নত ৰেটাৰকেইজন ব্যস্ত হৈ পৰিল। নিয়ৰৰ খোজ কাটল আৰু অৱয়বত প্ৰকাশ পায় গভীৰ প্ৰত্যাশা আৰু আত্মবিশ্বাস। কেৱল এজন মানুহৰ বাহিৰে। চল্লিশৰ দেওনা চুবলৈ গৈ থকা এই বয়সত অৱশ্যে এনেধৰণৰ কথাই তাইক প্ৰভাৱিত নকৰে। অতীতৰ ক'লা অধ্যায়ক তাই মনত পেলাব নিবিচাৰে। জীৱনৰ গতিপথত তাই কেৱল আগুৱাই যাব বিচাৰে, পিচফালে ঘূৰি চোৱাৰ তাইৰ ইচ্ছাও নাই আগ্ৰহো নাই।

"এখন ভেজ থালী দিবাঁ। এটা পানী বটল।"

"বাইদেউ আৰু কিবা ?"

"ন, থেংক ইউ।"

এটি ধন্যবাদসূচক হাঁহিৰ বিনিময় কৰি ৰেটাৰজন আঁতৰি গল। নিয়ৰে মোবাইলৰ নোটপেডখন উলিয়াই ল'লে। দেউতাকৰ মৃত্যু তথা তেৰদিনীয়া সকামৰ সংক্ৰান্তত ইমানদিনে তাই কৰ্মজীৱনৰ পৰা শাৰীৰিক-মানসিকভাৱে আঁতৰি আছিল। এতিয়া বৈ যোৱা অসম্পূৰ্ণ কামখিনি তাই কৰিব লাগিব। নিয়ৰে কিছুমান জৰুৰী কথা মোবাইলৰ নোটপেডত টুকি ৰাখিছে, যাতে পাহৰি নাযায়। কথাখিনি জুকিয়াই চাই থাকোঁতেই বিপ্ বিপ্ শব্দ কৰি স্কুলীয়া দিনৰে বন্ধু মানসৰ এটা ৱাটচআপ্ মেচেজ সোমাল। মেচেজটো খুলি চালে নিয়ৰে,

"ক'ত আছ ? ব্যস্ত আছ নেকি ? দেউতাৰ কাম-কাজবোৰ ভালদৰে হৈ গ'লনে?"

নিয়ৰে লগে লগে ফোনৰ নেটটো অফ্ কৰি নোটপেডলৈ ঘূৰি গ'ল। ইতিমধ্যে টেবুলত খানা আহিল আৰু তাই খোৱাত ব্যস্ত হৈ পৰিল।

গতানুগতিকভাৱে খাই বৈ কাউণ্টাৰত পইচা দি নিয়ৰ নিজৰ গাড়ীৰ ড্ৰাইভিংচিটত বহিল। গাড়ীৰ মিউজিক চিষ্টেমত এটা পুৰণা হিন্দী গান লগাই ল'লে আৰু পুনৰাই যাত্ৰা আৰম্ভ কৰিলে।

নিয়ৰস্নাতাৰ জীৱনৰ অন্যতম এটা ভালপোৱা কাম হল ড্ৰাইভিং। পুৰণা হিন্দী চিনেমাৰ ট্ৰেজিক গানবোৰৰ সংগ হ'লে তাই বহুদূৰ যাত্ৰা কৰিব পাৰে। মনটোক তাই বুজাই বঢ়াই আগুৱাই আনোতেই মানসৰ মেচেজটোৱে তাইক কিছু ব্যতিব্যস্ত কৰি তুলিলে। অতীতৰ ক'লা ছায়াৰ পৰা তাই মুক্ত হ'ব বিচাৰে। জীৱনৰ গতিক নতুনকৈ পথ দেখুৱাই তাই আগুৱাই যাব বিচাৰে। অতীতৰ ঘটনা পৰিঘটনাৰ মাজত পুনৰাই পাকঘূৰণি খাই সময়ৰ অপচয় কৰিবলৈ তাইৰ মুঠেও ইচ্ছা নাই।

(উপন্যাসখনৰ পিছৰটো খণ্ড প্ৰকাশ পাব আগষ্ট সংখ্যাৰ কথা-কাঞ্চনত)